**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-JAN-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————

শূন্য শুল্কৰে ইউৰোপৰ ২৭ খন দেশলৈ ৰপ্তানি হ'ব অসমৰ চাহ। কেন্দ্ৰীয় চৰকাৰে ২৭ খন ইউৰোপীয় দেশৰ সৈতে অলপতে কৰা চুক্তিৰ জৰিয়তে এয়া সম্ভৱ হৈ উঠিব। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি ডিব্ৰুগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি কয়, যে ভাৰত আৰু ইউৰোপীয় দেশসমূহৰ মাজত হোৱা চুক্তিয়ে বিশেষভাৱে ডিব্ৰুগড়বাসীক লাভান্বিত কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এনে প্ৰশংসনীয় পদক্ষেপে অসমৰ চাহ বাগিচাসমূহ আৰু অৰ্থনীতিক সমৃদ্ধ কৰিব বুলিও তেওঁ কয়। ডিব্ৰুগড়ৰ ঐতিহ্য চাহ উদ্যোগৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, যে এই ডিব্ৰুগড়ৰ ভূমিৰ পৰা অসমৰ চাহৰ সুগন্ধি সমগ্ৰ বিশ্বতে বিয়পি পৰে। ডিব্ৰুগড়ে ভাৰতক বিশ্বৰ বুকুত সুকীয়া পৰিচয় দিছে বুলিও তেওঁ ভাষণত কয়। চাহৰ ৰাজধানী হিচাপে পৰিচিতি ডিব্ৰুগড়ৰ চাহ উদ্যোগে ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাটোক শক্তিশালী কৰাৰ ক্ষেত্ৰত সবল ভূমিকা লোৱাৰ কথাও তেওঁ সদৰি কৰে।

বাইট

ইপিনে, শেহতীয়াকৈ অসমত দ্ৰুতগতিত জন গাঁথনিৰ  পৰিৱৰ্তন হোৱা বুলি উল্লেখ কৰি শ্ৰীশ্বাহে এনে পৰিৱৰ্তনত বাধা দিব নোৱাৰিলে অসম এদিন ভয়ংকৰ বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব বুলি কয়। অসমত তৃতীয়বাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিলে প্ৰতিজন অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱা হ'ব বুলিও গৃহমন্ত্ৰীগৰাকীয়ে ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। শ্ৰী শ্বাহে অসমত হোৱা জন গাঁথনি পৰিৱৰ্তনত সকলোকে বাধা আৰোপ কৰিবলৈ আহ্বান জনাই কয়, যে ৰাজ্যৰ বিজেপি চৰকাৰে ইতিমধ্যে ১ লাখ ২৬ হাজাৰ হেক্টৰ ভূমি অনুপ্ৰৱেশকাৰীৰ দখলৰ পৰা মুক্ত কৰিছে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বটদ্ৰৱাৰ লগতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক অনুপ্ৰেৰশকাৰীৰ দখলৰ পৰা মুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে সমৰ্থ হৈছে। ৰাজ্যখনক উন্নয়নৰ দিশে আগুৱাই নিয়াৰ বাবে তেওঁ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। অসমৰ দীৰ্ঘদিনীয়া বান সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে সদায়ে চিন্তা কৰি আহিছে বুলি উল্লেখ কৰি শেহতীয়াকৈ চৰকাৰে এই সমস্যা সমাধানৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ প্ৰসংগও তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প  মুকলি কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে যোৱাটো বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসমক বানমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। সেই প্ৰতিশ্ৰুতি অনুসৰি, আৰম্ভ কৰা এই প্ৰকল্পই ৰাজ্যখনৰ বানৰ সমস্যা নোহোৱা কৰাৰ লগতে কৃষকসকলক যথেষ্ট উপকৃত কৰিব। এই প্ৰকল্পৰ অধীনত হ'বলগীয়া জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ কৃষকে বছৰত তিনিবাৰ খেতি কৰি লাভান্বিত হ'ব পাৰিব বুলি উল্লেখ কৰি তেওঁ অসমৰ পৰ্য্যটন খণ্ডকো চৰকাৰৰ এই পদক্ষেপে সহায় কৰিব বুলি কয়।

ডিব্ৰুগড়ৰ কাৰ্য্যসূচীৰ সামৰণি মাৰি শ্ৰীশ্বাহে ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কালি সন্ধিয়া গুৱাহাটীৰ অটল বিহাৰী বাজপেয়ী ভৱনত ৰাজ্যিক বিজেপিৰ কৰ্ণধাৰ সমিতি আৰু  নিৰ্বাচনী ব্যৱস্থাপনা সমিতিৰ সৈতে এখন গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত শ্ৰীশ্বাহে

সমাগত বিধানসভা নিৰ্বাচন সন্দৰ্ভত গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক দলৰ কাৰ্যালয়লৈ আদৰণি জনায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি টাই আহোমসকলৰ পৰম্পৰাগত ধৰ্মীয় আৰু সামাজিক উৎসৱ মে-ডাম-মে-ফীৰ আয়োজন কৰা হৈছে। পুলিন-পুথাওসকলৰ উপাসনাৰে তেওঁলোকৰ আশীৰ্বাদ বিচাৰি এই উৎসৱ পালন কৰা হয়।

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত কালিৰে পৰা মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। প্ৰতিবছৰে মে-ডাম-মে-ফীৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত কৰি অহা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথনৰ পৰিৱৰ্তে এইবাৰ শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হৈছে। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত কাইলৈ হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব।

ধেমাজি জিলাৰ হাবুঙত যোৱা বৃহস্পতিবাৰৰ বৰ্ণাঢ্য কাৰ্যসূচীৰে মে-ডাম-মে-ফী অনুষ্ঠিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা, বাণিজ্য মেলা, ফুটবল, কুইজ আদিকে ধৰি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আজি মে-ডাম-মে-ফীৰ মুকলি সভাত ইতিহাসবিদ নগেন হাজৰিকা আৰু সাহিত্যিক-সাংবাদিক উমেশ চেতিয়াক ২০২৫-২৬ বৰ্ষৰ হাবুং বঁটা আগবঢ়োৱা হ'ব।

গুৱাহাটী মহানগৰীত পৰম্পৰাগত ৰীতি-নীতিৰে আজি মে-ডাম-মে-ফী উদযাপন কৰা হ'ব। বৃহত্তৰ গুৱাহাটী কেন্দ্ৰীয় মে-ডাম-মে-ফী উদযাপন সমিতিৰ উদ্যোগত নটবমাৰ চ্যুকাফা নগৰত দিনজোৱা কাৰ্যসূচীৰে আয়োজিত মে-ডাম-মে-ফীৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীৰ আছুতীয়া পুঁজিৰে আটক ধুনীয়াকৈ নিৰ্মাণ কৰা স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ এটা বিশাল প্ৰতিমূৰ্তি উন্মোচন কৰা হ'ব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই মে-ডাম-মে-ফী উপলক্ষে অসমবাসীক শুভকামনা জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ পুলিন-পুথাওসকলৰ আশীৰ্বাদেৰে সকলোৰে পথ সদায় আলোকিত হ'ব বুলি কামনা কৰে।

০০০০০০

খুমটাই বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৯৫৭ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। এই উপলক্ষে নৰাগাঁও খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই অংশ ল'ব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৰাগাঁও মিনি ষ্টেডিয়াম মুকলি কৰিব। ১৪ বিঘা ভূমিত নিৰ্মাণ কৰা এই ষ্টেডিয়ামখনত ছুইমিং পুল, ইনড'ৰ ষ্টেডিয়াম, বেডমিণ্টন ক'ৰ্ট, শ্বুটিং, টেবুল টেনিছ কক্ষ আৰু ব্যায়ামগাৰৰ সুবিধা আছে।

০০০০০০

যোৰহাটৰ বিশিষ্ট লোকশিল্পী তথা লোক সংস্কৃতিক সাধক মুকুন্দ মাধৱ বৰাৰ কালি সন্ধিয়া যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। যোৰহাটৰ বালিগাঁৱৰ নিবাসী বৰাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫২ বছৰ।

০০০০০০

**সমাপ্ত**